<table>
<tr>
<td>Report</td>
<td>A motivational talk on the theme 'Participation of Women in Civil Services' was organised by the Nowgong Girls' College Students Union (NGCSU) on June 13, 2022 on the occasion of the Closing Ceremony of the College Youth Festival 2022. The talk was delivered by Ms. Leena Doley, APS, Superintendent of Police, Nagaon wherein she delivered a rousing talk sharing her experience during her journey as a civil servant. She also spoke at length on the scope and need for participation of women in administration. A total of 565 students attended the programme along with the Principal and faculty members and alumnae of the College.</td>
</tr>
<tr>
<td>Photographs</td>
<td>






# নগাঁও ছোৱালী কলেজৰ যুৱ মহোৎসৱৰ সামৰণি

**বিশেষ বাৰ্তা, নগাঁও, ১৬ জুন ঃ** নগাঁও ছোৱালী মহাবিদ্যালয়ৰ হীৰক জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা যুৱ মহোৎসৱৰ ১৩জুনৰ সন্ধিয়া সামৰণি পৰে। ৮ জুনৰ পৰা অনুষ্ঠিত যুৱ মহোৎসৱ উপলক্ষে মহাবিদ্যালয়খনত এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। বিভিন্ন কাৰ্যসূচীৰ লগতে ১২ জুনত মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকা, ছাত্ৰীসকলে নগাঁও চহৰত উলিওৱা সাংস্কৃতিক শোভাযাত্ৰাই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। যুৱ মহোৎসৱৰ পৰহি অন্তিম দিনা বিয়লি মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠান অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি ড° তোমেশ্বৰ নাথৰ সভাপতিত্বত অনুষ্ঠিত সভাত আদৰণী ভাষণ দিয়ে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° বলীন কুমাৰ ভূঞাই। তেওঁ মহাবিদ্যালয়খনৰ ইতিহাস দাঙি ধৰি বৰ্তমান মহাবিদ্যালয়খনে শৈক্ষিক দিশত লোৱা পদক্ষেপসমূহৰ বিষয়ে উল্লেখ কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই উল্লেখ কৰে যে নাৰী শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত নগাঁৱৰ ভূমিকা উল্লেখনীয়। তেওঁ ছাত্ৰীসকলক অধ্যয়নৰ সমান্তৰালভাৱে আন ক্ষেত্ৰসমূহতো পাৰদৰ্শিতা প্ৰদৰ্শন কৰিবলৈ আহ্বান জনায়। বিধায়কগৰাকীয়ে বৰ্তমানৰ ৰাজ্য চৰকাৰে অসমৰ শিক্ষাৰ ক্ষেত্ৰখনৰ উত্তৰণৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। বিধায়ক শৰ্মাই ছাত্ৰীসকলৰ লগত মত বিনিময় কৰে। অনুষ্ঠানত নগাঁৱৰ আৰক্ষী অধীক্ষক লীনা দলেই অংশগ্ৰহণ কৰি ছাত্ৰীসকলক ভৱিষ্যতে সঠিক দিশত আগবাঢ়ি যোৱাৰ বাবে বিভিন্ন পৰামৰ্শ আগবঢ়ায়। নগাঁও আৰক্ষীয়ে আজি কিছুদিনৰ পৰা নগাঁৱক অপৰাধমুক্ত জিলা হিচাপে গঢ়ি তোলাৰ বাবে গ্ৰহণ কৰা পদক্ষেপক উৎসাহ জনাবলৈ মহাবিদ্যালয়ৰ তৰফৰ পৰা এখন প্ৰশংসা-পত্ৰ আৰক্ষী অধীক্ষকগৰাকীক প্ৰদান কৰা হয়। অনুষ্ঠানতে যুৱ মহোৎসৱ উপলক্ষে অনুষ্ঠিত বিভিন্ন প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহ প্ৰদান কৰা হয়। লগতে বাৰ্ষিক মেধা বঁটা, মুক্তাৰাম গায়ন, কুন্তলা হাজৰিকা, মেঘনাথ পাল, ৰেখা দাস গুপ্তা, ভানু পদ্মাপতি, বিভা গোস্বামী, পুলিন চন্দ্ৰ পাটৰ সোঁৱৰণী বঁটা আদি প্ৰদান কৰা হয়। অনুষ্ঠানৰ আঁত ধৰে মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদিকা শিবাংগী কাশ্যপে। বিভিন্ন বঁটা প্ৰদান অনুষ্ঠান পৰিচালনা কৰে শংকৰজ্যোতি ৰৰা, ড° বিপুল মালাকাৰ আৰু ড° অমিয়া পাটৰে। সন্ধিয়া অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠান মুকলি কৰে মহাবিদ্যালয়খনৰ সহযোগী অধ্যাপিকা ড° মীৰা বৰুৱাই। সাংস্কৃতিক অনুষ্ঠানত ছাত্ৰীসকলে গীত-মাত পৰিৱেশন কৰাৰ লগতে অতিথি শিল্পী আকাশ প্ৰীতমে গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। সাংস্কৃতিক অনুষ্ঠানৰ পিছতে যুৱ মহোৎসৱৰ সামৰণি পৰে।

</td>
</tr>
</table>